# এম কামালুদ্দিন আহমেদৰ কবিতা

**দিচাংমুখ**

ব্ৰহ্মপুত্ৰ আৰু দিচাঙৰ
সংগমস্থলত
ভূপেন হাজৰিকাৰ অস্থিয়ে
মাতে

দূৰৈৰ গুৱাহাটীত তোমাৰ
লেপটপত
সংকীৰ্ণ আকাশ আৱৰি
শিমলুবোৰ ফুলি আছিল

অথচ অলপ আগেয়ে আমি
সহস্ৰ শিমলুফুল পাৰ হৈ আহিছোঁ

পলসুৱা মাটিত
ৰঙীন চটাবোৰ
লিপিট খাই আছিল

আজি দিচাংমুখ
সময়ৰ এটা বিন্দুত
ওলমি ৰয়
প্ৰেৰণা দিয়ে বুলিও ক'ব নোৱাৰোঁ
অন্তৰ গধুৰ কৰে বুলিও
নিশ্চিত নহয়

কেতিয়াবা হয়তো সপোনত
আফাল খাই পৰি থাকিব
দিচাংমুখ

**শিমলু-শগুণ**

Live location নোহোৱাকৈ
প্ৰকল্প ৰঞ্জন আৰু মই
দিচাংমুখ পাইছিলোঁগৈ

শিমলুফুলে

আকাশ ৰঙাই তুলিছিল

আমি
শিমলুফুলবোৰ মনৰ জোলোঙাত
পাৰেমানে ভৰাব লৈছিলোঁহে মাত্ৰ
আমাৰ
ভিতৰৰপৰা দুটা শগুণ
জঁপিয়াই উঠিছিল

সিঁহত চাগে
শিমলুগছৰ মাজতে
লুকাই আছিল অতকাল

ৰঙা আৰু ক'লাৰ মিশ্ৰণেৰে
যি জীৱন
সেয়া হেৰাই গৈছে
ক্ৰমশঃ